# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-04-2026
**Time :** 1910 Hrs.

00000000000

১। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি কলম্বোৰ প্ৰেচিডেন্সিয়েল চেক্ৰেটেৰিয়েটত দেশখনৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেক সাক্ষাৎ কৰে।

২। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে বাঢ়ি অহা বিনিয়োগ তথা শক্তিশালী আঁচনিৰ জৰিয়তে ওড়িশাই ঔদ্যোগিক আৰু প্ৰযুক্তিগত বিকাশৰ নতুন স্তৰত প্ৰবেশ কৰিছে।

৩। পশ্চিম বংগত আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৪। তামিলনাডুৰ বিৰুধনগৰ জিলাৰ ভিমুথুলিংগপুৰমৰ এটা আতচবাজী কাৰখানাত হোৱা বিস্ফোৰণত ২১ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে।

*আৰু*

৫। আই পি এলৰ আজিৰ প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছে কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১৫৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

000000

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি কলম্বোৰ প্ৰেচিডেন্সিয়েল চেক্ৰেটেৰিয়েটত দেশখনৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই ভাৰত-শ্ৰীলংকাৰ মাজৰ বহুপাক্ষিত মিত্ৰতা ত্বৰান্বিত কৰাৰ লক্ষ্যৰে ব্যাপক তথা সফল আলোচনাত মিলিত হয়। এই বৈঠকত শ্ৰী ৰাধাকৃষ্ণণে চুবুৰীয়া প্ৰথম নীতিৰ প্ৰতি দেশৰ সংকল্প পুনৰ নিশ্চিত কৰাৰ লগতে উমৈহতীয়া প্ৰগতি আৰু বিকাশৰ বাবে সহযোগিতা অব্যাহত থাকিব বুলি প্ৰকাশ কৰে। উভয় পক্ষই দিটৱাহ ঘূৰ্ণীবতাহে প্ৰভাৱ পেলোৱা অঞ্চলসমূহত পুনৰ উন্নয়নৰ উদ্দেশ্যে গ্ৰহণ কৰা ৪৫ কোটি আমেৰিকান ডলাৰ সাহায্য কাৰ্যসূচীৰ অধীনত চলি থকা কাম-কাজসমূহৰ লগতে ভাৰতীয় গৃহ নিৰ্মাণ প্ৰকল্পকে ধৰি সম্প্ৰতি অব্যাহত থকা কেইবাটাও পদক্ষেপৰ অগ্ৰগতিৰ বুজ লয়। শ্ৰীৰাধাকৃষ্ণণে লগতে দেশখনৰ প্ৰধানমন্ত্ৰী ড০ হৰিণি অমৰাচুৰিয়াকো সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই দেশ দুখনৰ জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্ককে ধৰি দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰাৰ গুৰুত্ব সন্দৰ্ভত আলোচনা কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীলংকাত থকা ভাৰতীয়সকলৰ লগতে তামিল সম্প্ৰদায়ৰ নেতাসকলৰ সৈতেও মত-বিনিময় কৰাৰ কথা। তেওঁৰ এই ভ্ৰমণৰ জৰিয়তে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক বুজাবুজিৰ অগ্ৰগতি প্ৰতিফলিত হৈছে।

00000

কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি কয় যে বাঢ়ি অহা বিনিয়োগ তথা শক্তিশালী আঁচনিৰ জৰিয়তে ওড়িশাই ঔদ্যোগিক আৰু প্ৰযুক্তিগত বিকাশৰ নতুন স্তৰত প্ৰবেশ কৰিছে। শ্ৰীবৈষ্ণৱে ভুৱনেশ্বৰৰ ইনফ' ভেলীত দেশৰ প্ৰথমটো অত্যাধুনিক থ্ৰী ডি গ্লাছ চাবষ্ট্ৰেইট পেকেজিং প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি এই কথা সদৰি কৰে। তেওঁ কয় যে এই সুবিধাৰ জৰিয়তে ছেমি কণ্ডাক্টৰ খণ্ডৰ ভৱিষ্যৎ ত্বৰান্বিত হোৱাত সহায় হ'ব। বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তা আৰু উচ্চ পৰ্যায়ৰ কম্পিউটিং ক্ষেত্ৰখন ইয়াৰ জৰিয়তে ত্বৰান্বিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। বৈদ্যুতিক নিৰ্মাণ তথা নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত ইতিবাচক পৰিৱেশ গঢ়ি তোলাৰ বাবে তেওঁ ওড়িশা চৰকাৰৰ শলাগ লয়। উল্লেখযোগ্য যে প্ৰায় দুহেজাৰ কোটি টকা ব্যয়সাক্ষেপে গঢ়ি উঠিব লগা এই প্ৰকল্পৰ জৰিয়তে প্ৰায় দুহেজাৰ ৫০০ নিয়োগৰ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। এই অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিও উপস্থিত থাকে। অনুষ্ঠানত ভাষণ

দি শ্ৰীমাঝিয়ে এই পদক্ষেপৰ জৰিয়তে ওড়িশা উল্লেখযোগ্য ছেমি কণ্ডাক্টৰ কেন্দ্ৰ হৈ উঠিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত বিনিয়োগৰ বাবে গোলকীয় বিনিয়োগকাৰীসকলক আহ্বান জনায়।

কেন্দ্ৰীয় ৰে'লমন্ত্ৰীগৰাকীয়ে আজি লগতে ভূৱনেশ্বৰ ৰে'ল ষ্টেচন পৰিদৰ্শন কৰি তাত চলি থকা পুনৰ উন্নয়নমূলক কাম-কাজসমূহৰ অগ্ৰগতিৰ বুজ লয়। এই ষ্টেচনটোৰ পুনৰ বিকাশৰ জৰিয়তে সমাগত দিনসমূহত যাত্ৰীসকলে বিশ্বমানৰ সুবিধা লাভ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

পশ্চিম বংগত আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলসমূহৰ জ্যেষ্ঠ নেতাসকলে নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ৰেলী তথা ৰোড শ্ব'সমূহত অংশ লৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিম বংগৰ ঝাৰগ্ৰাম, পুৰুলীয়া আৰু বিষ্ণুপুৰ জিলাত আয়োজিত কেইবাটাও ৰেলীত সমবেত লোকসকলক সম্বোধন কৰে। শ্ৰীমোদীয়ে দ্বৈত ইঞ্জিনৰ বিজেপি চৰকাৰে পশ্চিম বংগত মহিলাসকলক দুগুণ উপকৃত কৰিব বুলি আশ্বাস প্ৰদান কৰে। তেওঁ কয় যে বিজেপিয়ে মহিলাসকলৰ সমৃদ্ধি, মৰ্যদা আৰু নিৰাপত্তাক অগ্ৰাধিকাৰ দি আহিছে। কংগ্ৰেছৰ সৈতে গোপন বুজাবুজিৰে তৃণমূল কংগ্ৰেছে বিধান পৰিষদসমূহত মহিলাৰ অংশগ্ৰহণত বাধা দিয়া বুলিও তেওঁ অভিযোগ তোলে। শ্ৰীমোদীয়ে পশ্চিম বংগৰ আসন্ন বিধানসভা নিৰ্বাচনক ৰাজ্যখনৰ পৰিচয় সুৰক্ষিত কৰাৰ বাবে এক যুঁজ আখ্যা দিয়ে। মমতা বেনাৰ্জী নেতৃত্বৰ চৰকাৰে স্থানীয় লোকসকলতকৈ বহিৰাগতক অধিক সুবিধা প্ৰদান কৰাৰ ৰাজনীতি কৰা বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্যখনত শাসনাধিষ্ঠিত তৃণমূল কংগ্ৰেছৰ অৱহেলা, দুৰ্বল আন্তঃগাঁথনি তথা যুৱচামৰ বাবে সুযোগৰ অভাৱৰ লেখিয়া প্ৰতিবন্ধকতাই ৰাজ্যবাসীৰ মনত চৰকাৰখনৰ প্ৰতি নেতিবাচক মনোভাৱ গঢ়ি উঠা বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। তৃণমূল কংগ্ৰেছে ৰাজ্যখনৰ জনসাধাৰণৰ সমস্যাসমূহক অৱহেলা কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে চৰকাৰখনে ৰাজ্যখনত দুৰ্নীতি আৰু শোষণৰ ব্যৱস্থা গঢ়ি তুলিছে। ৰাজ্যখনৰ জনসাধাৰণে উন্নত ভৱিষ্যৎ তথা বিকাশৰ আশাৰে বিজেপিৰ বাবে অপেক্ষা কৰা বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত জনজাতীয় ভূমিসমূহ তৃণমূল কংগ্ৰেছৰ কেইবাগৰাকীও নেতাই অবৈধভাৱে অধিকাৰ কৰি থকা বুলিও অভিযোগ তোলে।

ইফালে, বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই জলপাইগুৰিত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। আনহাতে দলীয় নেতা তথা ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহাই মুৰ্ছিদাবাদৰ জিয়াগঞ্জ আৰু কাণ্ডিত আয়োজিত ৰোড শ্ব'ত ভাগ লয়।

তৃণমূল কংগ্ৰেছৰ সভাপতি তথা পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে পূব বৰ্ধমান জিলাৰ কাল্না আৰু হুগলী জিলাৰ তাৰকেশ্বৰত আয়োজিত জনসভাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছত তেওঁ বৰ্ধমানত আন এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। শ্ৰীমতী বেনাৰ্জীয়ে কয় যে ৰাজ্যখনত বিজেপি শাসনলৈ আহিলে তৃণমূল কংগ্ৰেছে সূচনা কৰা সকলো কল্যাণমূলক আঁচনি আঁতৰ কৰিব। তেওঁ কন্যাশ্ৰী আঁচনিৰ অধীনত ৰাজ্যখনত ১ কোটি বালিকা উপকৃত হোৱা বুলিও প্ৰকাশ কৰে। কেন্দ্ৰত শাসনাধিষ্ঠিত বিজেপি নেতৃত্বাধীন চৰকাৰে লোকসভাত মহিলাৰ সংৰক্ষণ বিধেয়কখনৰ সৈতে সমষ্টিৰ সীমা পুনৰনিৰ্ধাৰণ বিধেয়কখনক সাঙুৰি লোৱা বুলি তেওঁ অভিযোগ তোলে। শ্ৰীমতী বেনাৰ্জীয়ে ২০২৩ চনৰ ছেপ্তেম্বৰতে গৃহীত হোৱা মহিলাৰ সংৰক্ষণ বিধেয়কখন কেন্দ্ৰীয় চৰকাৰে কিয় ৰূপায়ণ  কৰা নাই বুলি প্ৰশ্ন কৰে।

উল্লেখযোগ্য যে কংগ্ৰেছ তথা  বাওপন্থী দলসমূহৰ লগতে অন্যান্য দলসমূহেও পশ্চিম বংগৰ বিভিন্ন প্ৰান্তত সক্ৰিয়ভাৱে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। নেতাসকলে ভোটদাতাসকলৰ সমৰ্থন পোৱাৰ লক্ষ্যৰে স্থানীয় লোকসকলৰ মন স্পৰ্শ কৰিবলৈ বিভিন্ন মত-বিনিময় অনুষ্ঠান, ঘৰে ঘৰে গৈ পোনপটীয়া সংযোগ তথা জনসভাসমূহৰ দৰে বিভিন্ন কৌশল হাতত লৈছে। ৰাজ্যখনত অহা ২৩ আৰু ২৯ এপ্ৰিলত দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি তামিলনাডুৰ ইৰ'ডে জিলাৰ মোডাকুৰিচি আৰু শিৱগিৰিত প্ৰচাৰ অভিযানত অংশ লয়। কেইবাখনো জনসভাত সমবেত লোকসকলক সম্বোধন কৰি শ্ৰীশ্বাহে কয় যে ৰাজ্যখনত এ আই এ ডি এম কেৰ সাধাৰণ সম্পাদক **ইডাপ্পাডি কে পালানিস্বামীৰ** নেতৃত্বত এন ডি এ এটা শক্তিশালী আৰু সফল মিত্ৰজোঁট। শ্ৰীশ্বাহে ডি এম কে চৰকাৰে জনকল্যাণক অৱহেলা কৰি অহা বুলিও সমালোচনা কৰে।

এ আই এ ডি এম কেৰ সাধাৰণ সম্পাদক ইডাপ্পাডি কে পালানিস্বামীয়ে নামাক্কালত আয়োজিত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰি কয় যে ক্ষমতালৈ আহিলে এন ডি এ চৰকাৰে খেতিয়কসকললৈ এহেজাৰ ৪০০ ইউনিট বিনামূলীয়া বিজুলী আগবঢ়াব। এ আই এ ডি এম কে চৰকাৰে পূৰ্বে সূচনা কৰা কেইবাখনো জনকল্যাণমূলক আঁচনি পাছত ডি এম কে চৰকাৰে বাতিল কৰা বুলিও তেওঁ অভিযোগ তোলে। ইপিনে, টি ভি কেৰ নেতাসকলেও পূব ত্ৰিচিত এটা ৰোড শ্ব'ৰ আয়োজন কৰে।

ooooo

নিৰ্বাচন আয়োগে দেশৰ কেইবাখনো ৰাজ্যত চলি থকা নিৰ্বাচনী পৰিপ্ৰেক্ষিতত সামাজিক মাধ্য তথা ডিজিটেল মঞ্চসমূহৰ দায়িত্বশীল তথা নীতিগত ব্যৱহাৰ সুনিশ্চিত কৰিবলৈ সকলো পক্ষকে আহ্বান জনাইছে। এটা বিবৃতিৰ জৰিয়তে আয়োগে সামাজিক মাধ্যমসমূহত দৃষ্টিগোচৰ হোৱা যিকোনো কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে সৃষ্ট বা ভুৱা তথা উদ্দেশ্যপ্ৰণোদিত বিষয় সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ৰাজনৈতিক দল, প্ৰাৰ্থী তথা প্ৰচাৰ অভিযানৰত প্ৰতিনিধিসকলে যিকোনো ধৰণৰ কৃত্ৰিম বুদ্ধিমত্তা সৃষ্ট বিষয় প্ৰচাৰ অভিযানত ব্যৱহাৰ কৰাৰ সময়ত এ আই জেনেৰেটেড বুলি স্পষ্টভাৱে উল্লেখ কৰিব লাগিব বুলি আয়োগে নিৰ্দেশ দিছে।

ooooo

তামিলনাডুৰ বিৰুধনগৰ জিলাৰ ভিমুথুলিংগপুৰমৰ এটা আতচবাজী কাৰখানাত হোৱা বিস্ফোৰণত ২১ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। আজি বিয়লি সংঘটিত হোৱা এই বিস্ফোৰণৰ ঘটনাটোত ছজন লোক গুৰুতৰভাৱে আহত হৈছে। আহতসকলক ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। জানিব পৰা মতে বিস্ফোৰণৰ সময়ত কাৰখানাটোৰ চাৰিটা কোঠাত মুঠ ৩০জন শ্ৰমিকে কাম কৰি আছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কলকাতাৰ ইডেন গাৰ্ডেনছত হোৱা প্ৰথম খেলখনত ৰাজস্থান ৰয়েলছে, কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১৫৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বাতৰি যুগুতোৱাৰ পৰলৈকে কলকাতা নাইট ৰাইডাৰ্ছে ১৮ অভাৰত ৬টা উইকেট হেৰুৱাই ১৩৫ ৰান সংগ্ৰহ কৰি খেলি আছে।

চণ্ডিগড়ত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

ooooo

বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই অহা ২২ এপ্ৰিলৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে দক্ষিণ প্ৰশান্ত মহাসাগৰীয় দ্বীপৰাষ্ট্ৰ বানুআটু আৰু টুবুলু ভ্ৰমণ কৰিব। এই ভ্ৰমণ কালত মন্ত্ৰীগৰাকীয়ে ৱানুআটুৰ প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ কথা। শ্ৰীমাৰ্ঘেৰিটাই ভাৰত চৰকাৰৰ সহযোগত বানুআটুত স্থাপিত তথ্য প্ৰযুক্তি উৎকৰ্ষ কেন্দ্ৰও ভ্ৰমণ কৰিব। মন্ত্ৰীগৰাকীয়ে টুবুলু ভ্ৰমণ কৰি দেশখনৰ প্ৰধানমন্ত্ৰী, বিদেশ মন্ত্ৰী তথা অন্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। শ্ৰীমাৰ্ঘেৰিটাই ভাৰতৰ সাহায্য কাৰ্যসূচীৰ অধীনত মঞ্জুৰিকৃত পুঁজিৰ জৰিয়তে দেশখনত ৰূপায়িত হৈ থকা বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ অগ্ৰগতিৰো বুজ লোৱাৰ কথা। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা অনুসৰি এই ভ্ৰমণৰ জৰিয়তে প্ৰশান্ত মহাসাগৰীয় দ্বীপৰাষ্ট্ৰসমূহৰ সৈতে ৰাজনৈতিক আৰু উন্নয়নমূলক সহযোগিতা শক্তিশালী কৰি তোলাৰ বাবে দেশৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত

হৈছে। তদুপৰি পোৰ্ট মোৰ্চবিত আয়োজিত ভাৰত-প্ৰশান্ত মহাসাগৰীয় দ্বীপসমূহৰ সহযোগিতা মঞ্চৰ ঐতিহাসিক তৃতীয় শীৰ্ষ সন্মিলনৰ পৰৱৰ্ত্তী পৰ্যায়ত মাৰ্ঘেৰিটাই এই দেশকেইখন ভ্ৰমণ কৰিব।

0000000

**সমাপ্ত**